৩ পৃষ্ঠাত ৪ পৃষ্ঠাত ১০ পৃষ্ঠাত

# অসম আদিত্য

RNI REGN. No
epaper
Portal : w
e-mail : a

ঘিঁউ শৰীৰত
ৰাখে। ডাইে
ৰোগী নিতৌ
পুৰা ঘিঁউ খা
ফলত ও

আহিন, ১৯৪৭ শক ■ মঙলবাৰ, ১৪ অক্টোবৰ, ২০২৫ ■ Asom Aditya, Dibrugarh, Tuesday, October 14, 2025 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটীৰ পৰা প্ৰকা



### কানৈ মহাবিদ্যালয়ত শিক্ষক সংস্থাৰ উদ্যোগত ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠান

## চলচ্চিত্ৰ সমাজৰ বাবে গঠনমূলক-মানৱতাবাদী হোৱা উচিত ঃ আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন ছবি পৰিচালক জাহ্নু বৰুৱা

**ষ্টাফ ৰিপ'ৰ্টাৰ, ১৩ অক্টোবৰ ঃ** চলচ্চিত্ৰ সমাজৰ বাবে গঠনমূলক আৰু মানৱতাবাদী হোৱা উচিত। গঠনমূলক চলচ্চিত্ৰহে দৰ্শকক সঠিক মাৰ্গ দেখুৱাব পাৰে।— অসম কলেজ শিক্ষক সংস্থা, ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত) গোটৰ উদ্যোগত অষ্টবিংশতিতম পণ্ডিতপ্ৰৱৰ প্ৰতিষ্ঠাপক অধ্যক্ষ ড° যোগীৰাজ বসু স্মাৰক বক্তৃতানুষ্ঠানত মুখ্য বক্তা হিচাপে উপস্থিত থাকি আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন চলচ্চিত্ৰ নিৰ্মাতা পদ্মভূষণ জাহ্নু বৰুৱাই আজি এইদৰে কয়। বক্তৃতাৰ আৰম্ভণিতে বৰুৱাই পণ্ডিতপ্ৰৱৰ ড° যোগীৰাজ বসু আৰু কৃষ্ণকান্ত সন্দিকৈৰ সংস্কৃত পাণ্ডিত্যৰ কথা শ্ৰদ্ধাৰে সোঁৱৰে। তেওঁ সংস্কৃতক এক শক্তিশালী ভাষা বুলি উল্লেখ কৰে আৰু সংস্কৃত ভাষাক মৃত ভাষা বুলি প্ৰচাৰ হোৱাতো এক দুখৰ বিষয় বুলি ২ পৃষ্ঠাত

অসম আদিত্য

৩

অসম আদিত্য, ডিব্ৰুগড় মঙলবাৰ, ১৪ অক্টোবৰ, ২০২৫ ২৭ আহিন, ১৯৪৭ শক

# চলচ্চিত্ৰ সমাজৰ বাবে গঠনমূলক-মানৱতাবাদী

মত-পোষণ কৰে। বৰুৱাই কয়— জীৱন কালত সকলো কাম অতি নিষ্ঠাসহকাৰে কৰি গ'লে তীব্ৰ গতিত আগুৱাই নগ'লেও হয়। মুখ্য দ্বাৰৰ পৰা গায়ন-বায়ন আৰু এন চি চিৰ কেডেটে উষ্ম আদৰণি জনাই সভাগৃহলৈ নিয়া সভাখনত তেওঁ কয়— জ্ঞান সকলোৱে আহৰণ কৰে, সেই জ্ঞানক অপব্যৱহাৰ নকৰি সমাজ সংস্কাৰৰ সঠিক মাধ্যম হিচাপে প্ৰয়োগ কৰা উচিত। অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় গোটৰ সম্পাদক ড° মন্মী বৰুৱাই উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানটিত নৱপ্ৰজন্মক উদ্দেশ্য কৰি তেওঁ কয়— নৱপ্ৰজন্মই নিজৰ আৰ্জিত জ্ঞান সঠিক দিশত ব্যৱহাৰ কৰি সমাজক আগুৱাই নিয়াত সহায় কৰিব পাৰে। আমি যি কৰ্ম কৰোঁ সেই কৰ্মৰ যাতে অপব্যৱহাৰ নহয় তাৰ প্ৰতি সজাগ হোৱা প্ৰয়োজন বুলি মত প্ৰকাশ কৰি কয়— চলচ্চিত্ৰই যাতে সমাজক বিপথে পৰিচালিত কৰিব নোৱাৰে তাৰ প্ৰতি লক্ষ্য ৰখা প্ৰয়োজন। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই আদৰণী ভাষণ প্ৰদান কৰি প্ৰতিষ্ঠাপক অধ্যক্ষ, প্ৰাচ্যতত্ত্ববিদ, পণ্ডিত ড° যোগীৰাজ বসুক শ্ৰদ্ধাৰে সুঁৱৰি কয় যে শিক্ষা মানে কেৱল মাথোঁ ডিগ্ৰী নহয়, শিক্ষা মানে চিন্তা কৰাৰ ক্ষমতা, এনে দৰ্শনত বিশ্বাসী মহামানৱৰ গুণেৰে সমৃদ্ধ ব্যক্তি ড° যোগীৰাজ বসুৱে সৃষ্টি কৰি যোৱা, গঢ়ি যোৱা প্ৰতিটো ভৱন, প্ৰতিটো কোঠা, প্ৰতিটো সৃষ্টি, কৰ্মৰাজি আজিও মহাবিদ্যালয়ৰ চৌহদৰ বতাহত ধ্বনিত হৈ আহিছে। বন্তিপ্ৰজ্বলন আৰু মংগলাচৰণেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটো উদ্বোধন কৰি মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° আতিকুদ্দিন আহমেদে প্ৰাচ্যতত্ত্ববিদ, পণ্ডিত ড° যোগীৰাজ বসু, ড° লক্ষ্মী প্ৰসাদ দত্ত, অশ্বিনী চৰণ চৌধুৰী আৰু হনুমানবক্স সুৰজমল কানৈয়ে মহাবিদ্যালয়খনলৈ আগবঢ়োৱা অনৱদ্য বৰঙণিক শ্ৰদ্ধাৰে সোঁৱৰে। মহাবিদ্যালয়ৰ অধ্যাপক-অধ্যাপিকাসকলৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানটিত ড° আহমেদে ড° যোগীৰাজ বসু স্মাৰক বক্তৃতাৰ ইতিহাস ৰোমন্থন কৰি উল্লেখ কৰে যে ১৯৮৫ চনত কানৈ কলেজ শিক্ষক গোটৰ সম্পাদক মুনীন শৰ্মাৰ নেতৃত্বত সাহিত্যাচাৰ্য যজ্ঞেশ্বৰ শৰ্মা আৰু ড° বীৰেন্দ্ৰ নাথ দত্তই প্ৰথমলানি বক্তৃতা প্ৰদান কৰিছিল। অসম কলেজ শিক্ষক সংস্থা, কানৈ মহাবিদ্যালয় গোটৰ সভাপতি ড° মধুমিতা পুৰকায়স্থই সভাপতিত্ব কৰা সভাখনত পৰিচালনা সমিতিৰ সদস্য ড° গোপাল চন্দ্ৰ হাজৰিকা, জ্যোতিপ্ৰসাদ কানৈ, উপাধ্যক্ষ ড° পাৰ্থ গাংগুলি, অভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড° দীপংকজ গগৈয়ে মননশীল বক্তৃতা প্ৰদান কৰে। অনুষ্ঠানত শিক্ষক গোটৰ তৰফৰ পৰা মুখ্য বক্তা বিশিষ্ট চলচ্চিত্ৰ পৰিচালক জাহ্নু বৰুৱা আৰু মহাবিদ্যালয়ৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত অধ্যক্ষ ড° আতিকুদ্দিন আহমেদক চেলেং, স্মাৰক, কিতাপৰ টোপোলা, স্থিৰ চিত্ৰ আৰু সম্বৰ্ধনা-পত্ৰৰে উষ্ম আদৰণি জনোৱা হয়। উল্লেখ্য যে আজিৰ এই অনুষ্ঠানৰ আৰম্ভণিতে সদ্যপ্ৰয়াত জনপ্ৰিয় শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলনেৰে শ্ৰদ্ধাঞ্জলি জনোৱা হয়। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটোত ডিব্ৰু মহাবিদ্যালয়, মনোহাৰী দেৱী কানৈ মহিলা মহাবিদ্যালয়ৰ অধ্যক্ষ, কানৈ মহাবিদ্যালয়ৰ কেইবাগৰাকীও প্ৰাক্তন অধ্যক্ষ, প্ৰাক্তন অধ্যাপক-অধ্যাপিকা, ডিব্ৰুগড় চহৰৰ ভালেসংখ্যক গণ্য-মান্য ব্যক্তি আৰু মহাবিদ্যালয়ৰ পৰিয়ালবৰ্গ উপস্থিত থাকে। অনুষ্ঠানৰ লগত সংগতি ৰাখি মুখ্য বক্তাৰ স'তে এক অন্তৰংগ আলাপ অনুষ্ঠানো অনুষ্ঠিত হয়। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে অধ্যাপিকা সংক্ৰান্তি দেৱীয়ে।